بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২৭ ছেপ্তেম্বৰত হলেণ্ডৰ নন স্পিট জলছা ময়দানত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - আল্লাহ তায়ালাৰ কৃপাত জামাত আহমাদীয়া হলেণ্ডৰ বাৰ্ষিক জলছা শুভাৰম্ভ হৈছে। আল্লাহ তায়ালা কেইবা বছৰ পিছত আকৌ মোক এই হলেণ্ডৰ জলছাত অংশ গ্ৰহন কৰাৰ তৌফিক দান কৰিছে। যোৱা কেইবছৰৰ ভিতৰত হলেণ্ডৰ জামাতৰ সংখ্যাও বাঢ়িছে। কিছুমান নতুন মানুহেও জমাতৰ অন্তৰ্ভূক্ত হৈছে। যিয়েই নহওঁক বিশ্বৰ আন জমাতৰ দৰে হলেণ্ডৰ জামাতেও ভালেই উন্নতি কৰি আছে। বিভিন্ন চেণ্টাৰ আৰু মছজিদও নিৰ্মিত হৈছে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে - মনত ৰাখিব ! জমাতৰ সদস্যৰ সংখ্যা বাঢ়ি নাইবা মিচন, চেণ্টাৰ আদি বনোৱা, মছজিদ নিৰ্মান কৰা আদিয়ে তেতিয়াহে যথাৰ্থ লাভবান হব যেতিয়া ইয়াৰ উদ্দেশ্য সফল কৰা হব। গতিকে ইয়াত বসবাসকাৰী প্ৰত্যেক আহমদীয়ে নিজকে গমি চোৱাৰ প্ৰয়োজন আছে। লগতে সেয়াও বিচাৰি চোৱাৰ প্ৰয়োজন আছে যে যি উদ্দেশ্য আগত ৰাখি আমি হজৰত মছিহ মাওউদ (আঃ)ৰ বয়াত কৰিছো, সেয়া পূৰ্ণ কৰিব লাগিব। যেনেকৈ আমি কৈছো যে যোৱা কেই বছৰত বহু সংখ্যক আহমদী হিজৰত কৰি হলেও অভিমুখে আহিছে। প্ৰশ্ন হল কিয় হিজৰত কৰি আহিছে ? ইয়াৰ কাৰণ হল এয়া যে পাকিস্থানত আহমদী সকলৰ ধৰ্মীয় স্বাধীনতা নাই। আহমদী সকলক ধৰ্মৰ নামত নিৰ্যাতন কৰা হয়। তেওঁলোকৰ অধিকাৰ খৰ্ব কৰা হয়। মছজিদ নিৰ্মান কৰা আৰু লোকৰ তৰবিয়তৰ নিমিত্তে জলছা, বা ইজতেমা কৰাও নিষিদ্ধ। এনেকি নিজৰ ঘৰতও আইনৰ ফালেৰে নামাজ পঢ়িব নোৱাৰে। কোৰবানীৰ ঈদত জন্তু কোৰবানী কৰিব নোৱাৰে কাৰণ পাকিস্থানৰ আইনে ইয়াৰ বাবে অনুমতি নিদিয়ে। কিবা এটা কৰিলেই গোচৰ ৰজু হৈ যায়। গতিকে সকলো আহমদীয়েই, যি সকলে এই প্ৰতিবন্ধক নেওচি ইয়াতে আহি স্বাধীন ভাৱে জীৱণ যাপন কৰি আছে, তেওঁলোকে আল্লাহ তায়ালাৰ শলাগ লোৱা উচিত। লগতে হজৰত মছিহ মাওউদ (আঃ)ৰ বয়াত কৰাৰ হক প্ৰদানৰ ভৰপুৰ চেষ্টা কৰা উচিত। নিজৰ নিজৰ আধ্যাত্মিক, শৈক্ষিক আৰু চাৰিত্ৰিক অৱস্থা উন্নত কৰিবলৈ চেষ্টা কৰা উচিত। যদি আমাৰ আমল (কাৰ্য্য) আল্লাহ তায়ালাৰ আদেশ অনুযায়ী নহয়, যদি আমি নিজৰ মাজত পাক পৰিবৰ্তনৰ জন্ম নিদিওঁ আৰু আল্লাহ তায়ালা আৰু তাৰ ৰছুলৰ প্ৰেম আমাৰ পৰা প্ৰকাশিত নহয় তেন্তে এই স্বাধীনতাৰ নো কি লাভ আছে ? এই স্বাধীনতাৰ লাভ আমি তেতিয়াহে আহৰণ কৰিব পাৰিম যেতিয়া আমি বয়াতৰ হক পুংখানু পুংখ ৰূপে আদায় কৰিম। হজৰত মছিহ মাওউদ (আঃ) য়ে এঠাইত জলছাৰ উদ্দেশ্য বৰ্ণাওঁতে আৰু বয়াতৰ অন্তৰ্ভূক্ত হোৱা সকলক নচিহতে কৰোঁতে কৈছে যে - সকলো মুখলেছিন বয়াতৰ অন্তভূক্ত হোৱা সকললৈ এই ভৃত্যৰ ওপৰত প্ৰকাশিত হৈছে যে বয়াত কৰাৰ উদ্দেশ্য হল এয়া যে জাগতিক প্ৰেম প্ৰীতি যেন মৃত হৈ যায় আৰু নিজৰ মওলাৰ আৰু ৰছুলে মকবুল (ছাঃ)ৰ প্ৰেম যেন হৃদয়ত বিজয় লাভ কৰে আৰু এই অৱস্থা যেন চিৰস্থায়ী ভাৱে জন্ম লয়, যাৰ দ্বাৰা আখেৰাতলৈ গমন মকৰূহ অনুমান নহয়।

গতিকে ইয়াৰ দ্বাৰা এয়া স্পষ্ট হয় যে মোৰ বয়াতৰ অন্তৰ্ভূক্ত হৈ কেৱল মুখৰ দাবী লৈকে ক্ষান্ত নাথাকিবা বৰং মুখলেছিনৰ অন্তৰ্ভূক্ত হৈ যোৱা আৰু একাগ্ৰতা আৰু আনুগত্যৰ ক্ষেত্ৰত তেতিয়াহে উন্নতি হব, যেতিয়া আল্লাহ তায়ালা আৰু তাৰ ৰছুলে মকবুল (ছাঃ)ৰ প্ৰেম সকলো প্ৰেমতকৈ প্ৰগাঢ় হব। সেয়ে তেখেত (আঃ)য়ে বয়াতৰ চৰ্তৰ মাজত এয়া চৰ্ত ৰাখিছে যে বয়াত কৰোতায় আল্লাহৰ আদেশ আৰু ৰছুলৰ আদেশ সকলো বিষয়তে নিয়মিত পালন কৰিব লাগিব। গতিকে এই জলছা এই উদ্দেশ্যই অনুষ্ঠিত কৰা হয় যাতে বাৰে বাৰে এই কথাবোৰ আমাক মনত পেলাই দিয়া হয় যে আমাৰ বয়াত হোৱাৰ উদ্দেশ্য কি ? এয়া কোনো সাধাৰণ কথা নহয় যে জগতৰ মোহ সম্পৰ্ণ ভাৱে দূৰ হৈ যায় । আল্লাহ আৰু তাৰ ৰছুলৰ ভালপোৱা তাৰ ওপৰত বিজয় লাভ কৰে। ইয়াৰ বাবে সংগ্ৰামৰ প্ৰয়োজন আছে আৰু আমি যেতিয়া বয়াতৰ শপত গ্ৰহন কৰিছো, সেয়ে এই সংগ্ৰাম আমি কৰিব লাগিব।

আকৌ, যিটো বিষয়লৈ হজৰত মছিহ মাওউদ (আঃ)য়ে আমাৰ মনোযোগ আকৰ্ষণ কৰিছে সেয়া হল - ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰতি প্ৰেম। তেখেত (আঃ)য়ে স্পষ্ট ভাৱে কৈছে যে ৰছুলে কৰিম (ছাঃ)ৰ প্ৰতি মৰম গোটেই মানৱ জাতিৰ মৰমতকৈ বেছি হোৱা উচিত। ইয়াৰ কাৰণ হল এতিয়া একমাত্ৰ ৰছুলুল্লাহ (ছাঃ)ৰ জৰিয়তে আল্লাহ তায়ালাৰ সান্নিধ্য লাভৰ উপায় আছে। তেখেত (ছাঃ)ৰ আদেশৰ ওপৰত আমল কৰি, তেখেত (ছাঃ)ৰ ছুন্নতৰ ওপৰত চলিহে খোদা তায়ালা লৈকে যাব পৰা যায়। কবুলিয়তে দোৱা,আৰু ভাল ফলাফল সংগঠিত হোৱাৰ একমাত্ৰ আছিল। এতিয়া আঁহজৰত (ছাঃ)য়েই আছে। হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে যে - খোদা তায়ালাৰ প্ৰেমাস্পদ হবলৈ ৰছুলে কৰিম (ছাঃ)ৰ আনুগত্য কৰাই একমাত্ৰ বাট, ইয়াৰ বাহিৰে অইন কোনো উপায় নাই, যিয়ে তোমাক খোদা তায়ালাৰ সৈতে মিলাব পাৰে। মানৱ জীৱনৰ আচল উদ্দেশ্য একমাত্ৰ অংশীদাৰ বিহীন খোদা তায়ালাক বিচৰাটোহে হব লাগে। এয়া উদ্দেশ্য হোৱা উচিত যে আমি কোনো বেলেগ বস্তু নহয় একমাত্ৰ খোদা তায়ালাক হে সন্দান কৰি আছো। বেলেগ কোনো বস্তুকেই খোদা তায়ালাৰ সমানে থিয় কৰোৱা উচিত নহয়। উল্লেখ কৰিছে যে শিৰিক আৰু বিদাআত পৰিহাৰ কৰা উচিত। পৰম্পৰা ৰীতি - নীতিৰ আদিৰ অনুসৰণ কৰা উচিত নহয়। উল্লেখ কৰিছে যে - চোৱা ! মই আকৌ কৈছো যে ৰছুলুল্লাহ (ছাঃ)ৰ সত্য পথ অভিহনে অইন কোনো উপায়েৰে মানৱ কুল কৃতকাৰ্য্য হোৱা সম্ভৱ নহয়।

আকৌ কৈছে যে - নিজৰ আভ্যন্তৰণত এটা পৃথকীকৰণৰ জন্ম দিয়া অৰ্থ্যাৎএনেকুৱা অৱস্থাৰ সৃষ্টি কৰা, যিয়ে তোমাক পাৰ্থিৱ লোভ, মোহ, যুদ্ধ, জিহাদ মুক্ত কৰিব। তোমালোকৰ প্ৰত্যেক আমল আল্লাহ আৰু তাৰ ৰছুলে মকবুল (ছাঃ)ৰ নিৰ্দেশৰ অনুগত হব লাগিব। জগতৰ কাম কাজ, ব্যৱসায় বানিজ্য কৰাটো নিষেধ নহয় ; এয়া কৰিব লাগিব, খোদা তায়ালা এই বিলাক কৰাৰ আদেশ দিছে। চাহাবা সকলেও ব্যাৱসায়,বানিজ্য কৰিছিল কিন্তু আল্লাহ তায়ালা আৰু তাৰ ৰছুলৰ প্ৰেম এখেত সকলৰ ওপৰত বিজেতা হৈ আছিল। তেওঁলোকে সদায় চিন্তিত থাকিছিল যে আমি আল্লাহ তায়ালাৰ ইবাদতৰ হক আদায় কৰিব লাগিব, ৰছুলুল্লাহ (ছাঃ)ৰ আদেশ মান্য কৰিব লাগিব। তেখেত সকলে সদায় চিন্তিত থাকিছিল যে আমাৰ দ্বাৰা যেন এনে কোনো কাম সংগঠিত নহয় যে যাৰ ফলত আমাৰ মেহেবুব অসন্তুষ্ট হৈ যায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই জলছাৰ ৰূহানী পৰিবেশৰ পৰা কল্যাণ আহৰণৰ বাবে আৰু নিজৰ আমলৰ অৱস্থা উন্নত কৰিবলৈ আমি এই তিনিটা দিনৰ বাবে ইয়াত একত্ৰিত হৈছো। গতিকে সদায় এয়া মনত ৰখা উচিত হব আৰু এয়াই আমাৰ চিন্তা থকা উচিত যে আমি কিয় ইয়াতে আহি তিনি দিনৰ বাবে খোট খাইছো, ইয়াৰ উদ্দেশ্য কি ? উদ্দেশ্য হল, ৰূহানী পৰিবেশৰ কল্যাণ লাভ কৰা, নিজৰ আমলৰ অৱস্থা উন্নত কৰা, আৰু নিজৰ মাজত থকা বেয়া, পঙ্কিলতা দূৰ কৰা, জিকিৰে ইলাহি আৰু ইস্তেগফাৰত মনোযোগ দিয়া। প্ৰজ্ঞা সন্মত কথা হল এয়া যে এই তিনিটা দিন এটা ট্ৰেইনিং কেম্প হিচাপে ধৰি লোৱা যায় আৰু আমাৰ আমলৰ অৱস্থাত যি দুৰ্বলতা ৰৈ আছে, সেইবোৰ দুৰ কৰাৰ এটা চেষ্টা কৰা যায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে জলছাৰ উদ্দেশ্য হল ঈমান আৰু বিশ্বাসত উন্নতি সাধন কৰা, মাৰিফতত (তত্ত্বজ্ঞানত) আগবাঢ়ি যোৱা। হজৰত মছিহ মাওউদ (আইঃ)য়ে কৈছে যে এই জলছা পাৰ্থিব মেলা, সবাহৰ দৰে নহয় যে আমি এঠাইত গোট খালো আৰু চিঞৰ-বাখৰ লগালো, নিজৰ সংখ্যাধিক্য দেখুৱালো, এয়া উদ্দেশ্য নহয়। গতিকে জলছাত অংশগ্ৰহন কৰা প্ৰতেক্যজন ব্যাক্তি, পুৰুষ, মহিলা, সকলোৰে এইফালে মনোযোগ দিয়া উচিত যাতে সিহঁতৰ ঈমান, আৰু বিশ্বাস, তত্ত্বজ্ঞান বৃদ্ধি পায় যাতে খোদা আৰু তাৰ ৰছুলৰ প্ৰেমত উৎসাহিত কৰে আৰু এই প্ৰেম বৃদ্ধি পাই থাকে। আমি এয়া ভাৱি লোৱা উচিত নহয় যে আমি কেৱল জাকজমকতা দেখুৱাবলৈ এঠাইত গোট খাইছো আৰু ইটো সিটো কথাৰ গল্প কৰি সময় কটাই গুচি যাম। যদি মনত এয়াই ধাৰণা আছে তেন্তে জলছালৈ অহাটো সময়ৰ অপচয় মাত্ৰ। হজৰত মছিহ মাওউদ (আঃ)য়ে নেকিৰ ফালে মনোযোগ দিবলৈ কৈছে যে - নেকি এই কাৰণেই অৰ্জন কৰিব লাগে যাতে খোদা তায়ালা মুগ্ধ হয় আৰু তাৰ সন্তুষ্টি আমি যেন অৰ্জন কৰিব পাৰো আৰু তাৰ আদেশ সমুহ যেন পালন কৰা হয় তাতে নেকি হওঁক বা নহওঁক। গতিকে এয়া হল প্ৰকৃত ভালপোৱাৰ তত্ত্ব যে আল্লাহ তায়ালাৰ প্ৰতি ভালপোৱাৰ চানেকি স্বৰূপে আমি তাৰ আদেশ অনুসৰি আমল কৰো, যাৰ মাজত তাৰ উপসনা কৰাটোও চামিল আছে। লগতে আল্লাহ তায়ালাৰ ভৃত্য সকলৰ হকওঁ চামিল আছে। আমি আল্লাহৰ পৰা বিনিময় হিচাপে ফলাফল বিচাৰি তাৰ আদেশ অনুয়াযী আমল কৰিব নালাগে। উল্লেখ কৰিছে যে যদিও এয়া সত্য যে খোদা তায়ালা কোনো নেকিয়েই বিফলে যাব নিদিয়ে “ইন্নাল্লাহা লা হউজিও আজৰাল মহছিনিন” আচল কথা

হল যে আল্লাহ তায়ালা মহছিন সকলৰ ফলাফল কেতিয়াও নষ্ট নকৰে। কিন্তু নেকি কৰোতাঁ সকলে ফলৰ লাভৰ ওপৰত দৃষ্টি দিব নালাগে। গতিকে প্ৰকৃত নেকি হল এয়া যে পুৰষ্কাৰ লাভৰ মোহ বিহনে কৰা নেকি। আল্লাহ তায়ালা নিশ্চয় সেই নেকিৰ ফল দান কৰে। গতিকে যিহেতু আমাৰ খোদা তায়ালায় আমাৰ সৈতে এনে আচৰণ প্ৰদৰ্শন কৰে, সেয়ে আমাৰ দায়িত্ব হল আমি তাৰ সন্তুষ্টি লাভৰ অৰ্থে তাৰ সকলো আদেশ পালনৰ মাজেদি আমল কৰি যোৱা। আমি সেই সকলোবোৰ বেয়াৰ পৰা আতঁৰি থকা উচিত। যিবোৰৰ ত্যাগ কৰিবলৈ তেওঁ আমাক আদেশ দিছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - এই দেশবোৰলৈ অহাৰ পিছত আমি আমাৰ অৱস্থা, পৰিস্থিতিৰ ওপৰত দৃষ্টি ৰখাৰ বহু বেছি প্ৰয়োজন আছে। মাজে সময়ে সামান্য নেকি কৰাৰ ক্ষেত্ৰতও হেঙাৰ আহি যায় অৰ্থ্যাৎ অৱস্থা উন্নত হোৱাৰ লগে লগে মানুহে পাহৰি যায় তাৰ গুৰিয়ালৰ কথা। আমি ভাৱো যে অমুক কামটো নকৰিলে আমাৰ উপাৰ্জন আয়ৰ ক্ষতি হব। কিন্তু আল্লাহ তায়ালা কৈছে যে মই হলো ৰিজিক দাতা।

গতিকে যদি হজৰত মছিহ মাওউদ (আঃ)ৰ বয়াতৰ হক পূৰ্ণ কৰিবলৈ আছে তেন্তে আল্লাহ তায়ালৰ ইবাদতৰ হক প্ৰদান কৰিব লাগিব। হজৰত মছিহ মাওউদ (আঃ)য়ে এই বিষয়ে আমাক উপদেশ দিছে যে এই তত্ত্ব অনুধাৱণ কৰা, আল্লাহ প্ৰেমত বিভোৰ হৈ তাৰ ৰং ধাৰণ কৰি ইবাদত সম্পন্ন কৰা, এয়াই হল আচল বস্তু। যেতিযা সেই সত্তাৰ প্ৰেমৰ স্পন্দনত ইবাদতসম্পন্ন হব তেতিয়া পাৰ্থিব মোহ দূৰীভূত হব। ইয়াৰ পিছতেই দ্বীন এই দুনীয়াদাৰীৰ ওপৰত প্ৰধান্য লাভৰ নিগুড় তত্ত্ব প্ৰকাশ পাব আৰু যেতিয়া পাৰ্থিব লোভ মোহ শেষ হৈ যাব তেতিয়া খোদা তায়লা এনে উপায়েৰে ৰিজিক দান কৰিব যে মানুহে সেয়া ধাৰণা কৰিব নোৱাৰে। যেনেকৈ আল্লাহ তায়লা কৈছে যে "ওয়া মাইয়াত্তা কিল্লাহা ইয়াজ আল লাহু মাখৰাজান ওয়া ইয়াৰ জুকহু মিন হায়ছু লাইয়াহ তাছিবু" অৰ্থাৎ যিজন ব্যক্তিয়ে আল্লাহ তায়লাৰ তাকুওয়া ধাৰণ কৰে আল্লাহ তায়লা তাৰ নিমিত্তে কোনো নহয় কোনো এনেকুৱা উলিয়াই আৰু তাৰ পৰা তাক ৰিজিক দান কৰে। যাৰ পৰা তেঁও ৰিজিক অহাৰ কল্পনাও নকৰে।

হজৰত মছিহ মাউদ (আঃ) য়ে কৈছে যে- আনন্দৰ উৎস হল তাকওয়া। এয়া চিৰ সত্য যে খোদা তায়লা নিজৰ ভৃত্যক নষ্ট হবলৈ নিদিয়ে আৰু তাক আনৰ আগত হাত পতাৰ পৰা নিৰাপদ ৰাখে। ঘোৰ বিশ্বাস যে যদি এজন মানুহ ভক্ত আৰু প্ৰকৃত মুত্তাকী হয় তেন্তে তাৰ সাত পুৰুষ লৈকে খোদা তায়লা তাৰ ৰহমত আৰু বৰকতৰ হাত প্ৰশস্ত কৰি ৰাখে।সেই জনৰ বাদে যিজনে নিজে দূৰ্ভাগ্য বশতঃ এনেকুৱা আমল কৰে যে, যিয়ে গৈ আল্লাহ তায়লাৰ কৃপাৰ পৰা তাক বঞ্চিত কৰে। তেখেত (আঃ) য়ে কৈছে যে মানুহৰ কৰ্ত্তব্য হল সকলো বেয়া, পঙ্কিলতাৰ জৰীডাল জ্বলাই দি ইলাহি প্ৰেমৰ জৰি অটুট ৰখা। সত্য হল এয়া যে যিজনে খোদা তায়লাৰ হৈ যায়, খোদা তায়লাও তাৰ হৈ যায়।এনেকুৱা হবলৈ চেষ্টা কৰা যেন তোমাৰ ওপৰত খোদা তায়লাৰ বৰকত আৰু ৰহমতৰ চিহ্ন প্ৰস্ফুটিত হয় আৰু কৈছে . যে যিজন ব্যক্তিয়ে কেৱল পাৰ্থিব লয়, লাসৰ নিমিত্তে এক দীঘল আয়ু কামনা কৰে তাৰ সেই দীঘলীয়া আয়ু কেৱল ভাল ভাল খোৱা আৰু শুই থকা আৰু পুত্ৰ, কন্যা ভাৰ্য্যা আৰু ভাল ঘৰ, গাড়ী, ঘোৰা ৰখাত বা বাগিছা শস্য আদিতে শেষ কৰি দিয়ে। এনে লোক আল্লাহৰ ভৃত্য নহয় আৰু তাৰ ইবাদতে শেষ কৰি দিয়ে। এনে লোক আল্লাহৰ বান্দা বুলি কোৱাৰ যোগ্য নহয়। বৰং এনে লোক কেৱল নিজৰ উদ্দেশ্য সাধনৰ ইবাদত কৰি থাকে। তেখেত (আঃ) য়ে কৈছে এনে ব্যক্তিয়ে নিজৰ আশা আকাঙ্খা আৰু ইচ্ছা প্ৰবৃত্তিৰ তৃপ্তিকেই মাবুদ বনাই লয় । কিন্তু খোদা তায়লা মানৱ সৃষ্টিৰ উদ্দেশ্য কেৱল তাৰ ইবাদত কৰাহে ৰাখিছে।যেনেকৈ আল্লাহ তায়লা কৈছে "ওয়া মা খালাকতুল জিন্না ওয়াল ইনছা ইল্লা লিইয়াবুদুন" অৰ্থ্যাৎ মই মানৱ আৰু জ্বীনক কেৱল মোৰ (নিজৰ) ইবাদতৰ নিমিত্তে সৃজন কৰিছে।গতিকে এয়া সীমা বান্ধি দিছে যে কেৱল আৰু কেৱল ইবাদতে ইলাহি উদ্দেশ্য হোৱা উচিত। এই উদ্দেশ্যে সকলো কায়নাত সৃষ্টি কৰিছে। ইয়াৰ বিপৰীত হল সকলো আশা আকাঙ্খা আৰু অসীম ইচ্ছা প্ৰবৃত্তি।

হুযুৰ আনোৱাৰ (আঃ) য়ে কয় যে- গতিকে আমি এইবোৰ বিষয় মগজুত চিন্তা কৰা উচিত যে কেনেকৈ আমি নিজৰ জীৱনটো অৰ্জন কৰোঁতা হম। কেৱল এই পাৰ্থিব জীৱনৰ চিন্তা নকৰিব। আমাৰ চিন্তা আমাৰ পৰিশ্ৰম কেৱল পাৰ্থিব জগতৰ সাফল্য কৰাত যেন শেষ নহয়। আমি যেন আমাৰ জীৱনৰ আচল উদ্দেশ্য সফল কৰাৰ বাবে নিজৰ সকলো চেষ্টা, দক্ষতা কামত লগাব পাৰো। আমাৰ নিয়ত আমাৰ ইচ্ছা যেন অশুদ্ধ অগুচি নহয় বৰং আমি যেন আমাৰ সৃষ্টি কৰ্তাক চিনি পাওঁ আৰু নিজৰ সৃষ্টিৰ হক আদায় কৰোতা হওঁ। এই যুগত যি উদ্দেশ্য আল্লাহ তায়লা হজৰত মছিহ মাউদ (আঃ) ক প্ৰেৰণ কৰিছে

সেয়া যেন পূর্ণ কৰোতা হওঁ। হজৰত মছিহ্ মাউদ (আঃ) য়ে কৈছে - মই এই কাৰণেই প্ৰেৰিত হৈছো যাতে ইমান জীৱিত কৰো আৰু খোদা তায়লাৰ সত্য লোকৰ আগত প্ৰমাণিত কৰি দিখুৱাও। কাৰণ প্ৰত্যেক জাতিৰ ইমানৰ অৱস্থা বেয়া কৈ দূৰ্বল হৈ পৰিছে আৰু পৰকাল সন্দিহান হৈ কাহীনিত পৰিনিত হৈছে। আনহাতে প্ৰত্তেক মানুহেই নিজৰ আমুলেৰে প্ৰমানিত কৰিবলৈ লৈছে যে মানৱৰ বিশ্বাস, ভৰষা জগতৰ বাস্তৱৰ নিৰন্দ হৈ পৰিছে। এনেকুৱা বিশ্বাস আৰু ভৰষা কেতিয়াও খোদা তায়লা আৰু পৰলোকৰ ওপৰত বিশ্বাস বলিব নোৱাৰি। মুখত এটা বেলেগ কিবা কিন্তু অন্তৰত জগত প্ৰেমৰ বিজয় ডংকা। উল্লেখ আছে যে ইহুদী সকলৰ মাজতে খোদা প্ৰেম নিস্তেজ হৈ পৰিছিল তেতিয়া মছিহ্ আহিছিল আৰু এতিয়া মোৰ যুগতও সেই একেই অৱস্থা হৈছে। গতিকে মই প্ৰেৰিত হৈছো জাতে ইমান আকৌ সজিৱ হয়( ঈমানৰ যুগ আহে) আৰু হৃদয়ত তাকোৱাৰ জন্ম হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - গতিকে এয়া আমাৰ কাম হল তেখেত (আঃ)ৰ বয়াতৰ হক আদায় কৰি নিজকে নিজে খোদা তায়ালাৰ প্ৰেমত আগবঢ়াই, তৌহিদক নিজৰ অন্তৰত স্থাপিত কৰিব লাগিব। খোদা তায়ালা আৰু তাৰ ৰছুলৰ ভালপোৱাৰ তুলনাত জাগতিক আৰাম, বিলাস পিছলৈ ঠেলি দি, নিজৰ মাজত পাক পৰিবৰ্তন সাধন কৰি সমাজখনকও খোদা তায়ালাক কাষলৈ অনাৰ চেষ্টা কৰিব লাগিব। আজি জগতবাসীয়ে খোদাৰ সত্তা মানি লবলৈ অস্বীকাৰ কৰি আছে। গতিকে এই অস্বীকাৰকাৰী লোকৰ মাজতেই আমি খোদা তায়ালাৰ সৈতে চিনাকী কৰিব লাগিব। তেতিয়াহে আমি এই জলছাৰ উদ্দেশ্য সফল কৰোঁতা হম। তেতিয়া আমি হজৰত মছিহ্ মাওউদ (আঃ)ৰ বয়াতৰ হক আদায় কৰোঁতা হম। আমি আমাৰ বংশ সন্তান  সন্ততিৰ হৃদয়ত মহববতে ইলাহি আৰু ৰছুল প্ৰেমৰ জন্ম দিয়াৰ চেষ্টা কৰিব লাগিব। আল্লাহ তায়ালা এই সকলোবোৰ কৰাৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 27 sept. 2019**

**To**

----------------------------------------------------------------------

----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**